মই তোমাক সেই অভিযানলৈ নপঠিয়ামনে, যি অভিযানলৈ স্বয়ং নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মোক প্ৰেৰণ কৰিছিল? তেখেতে মোক আদেশ দিছিল যে, তুমি য'তে কোনো প্ৰতিমা দেখিবা সেইটোক নিঃশেষ কৰিবা, আৰু য'তেই কোনো ওখ কবৰ দেখা পাবা, সেইটোক সমতল ভূমিত পৰিণত কৰিবা।

আবুল হায়্যাজ আল-আছাদীয়ে কৈছেঃ মোক আলী ইবনে আবি তালিব ৰাদ্বিয়াল্লাহু আনহুৱে
কৈছেঃ মই তোমাক সেই অভিযানলৈ নপঠিয়ামনে, যি অভিযানলৈ স্বয়ং নবী চাল্লাল্লাহু
আলাইহি অছাল্লামে মোক প্ৰেৰণ কৰিছিল? তেখেতে মোক আদেশ দিছিল যে, তুমি য'তে কোনো প্ৰতিমা দেখিবা সেইটোক নিঃশেষ কৰিবা, আৰু য'তেই কোনো ওখ কবৰ দেখা পাবা, সেইটোক
সমতল ভূমিত পৰিণত কৰিবা। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ চাহাবাসকলক এই নিৰ্দেশ প্ৰদান কৰি প্ৰেৰণ কৰিছিল যে, তেওঁলোকে যেন প্ৰতিটো প্ৰতিকৃতিকে ধ্বংস কৰে অস্তিত্বহীন কৰি দিয়ে, ইয়াত প্ৰতিকৃতিৰ দ্বাৰা প্ৰাণ থকা বস্তুৰ প্ৰতিকৃতিক বুজোৱা হৈছে, ছবি, প্ৰতিমা, ভাস্কৰ্য্য, মূৰ্তি ইত্যাদি। আৰু প্ৰতিটো ওখ কবৰকে যেন সমতল কৰি দিয়ে, লগতে কবৰৰ ওপৰত থকা নিৰ্মাণাদিক যেন ভাঙি দিয়ে। বৈধ পৰিমাণতকৈ অধিক ওখ যাতে নাথাকে, অৰ্ধ ফুট পৰিমাণ ওখ ৰখাত কোনো অসুবিধা নাই।

http://sunnah.global/hadeeth/as/show/5934